# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো ২০২৬ চনৰ ছেপ্তেম্বৰ মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰধানমন্ত্ৰী পোষণৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা এই ৰান্ধনিঘৰৰ পৰা কাষৰ বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলক গুণগত, মানসম্পন্ন, পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰ প্ৰদান কৰা হ'ব। শিশুৰ পুষ্টিহীনতা নিৰ্মূল কৰাৰ লক্ষ্যৰে স্থাপন কৰিবলগীয়া এই ৰান্ধনিঘৰে নিয়োগৰো সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে ৰন্ধনৰ খাদ্য পৰিকল্পনা বৃদ্ধি কৰি ৰান্ধনিঘৰ প্ৰকল্পটোৱে ৰাইজৰ মাজত খাদ্য যোগান আৰু আহাৰ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব। প্ৰকল্পটোত এহেজাৰ ৭০০ বৰ্গ মিটাৰৰ এটা ৰান্ধনিঘৰৰ লগতে প্ৰশাসক, জ্যেষ্ঠ প্ৰবন্ধকৰ আৱাস আৰু প্ৰশিক্ষণ ভৱনৰ দৰে সুবিধা থাকিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, চিকিৎসা মন্ত্ৰী প্ৰশান্ত ফুকন, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

স্বাধীনতা সংগ্ৰামী ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সংগ্ৰামীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যু দণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ আজিৰ তাৰিখতে কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানী গৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল।

কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱা মহানগৰীৰ নেহৰু উদ্যানত শ্বহিদ কুশল কোঁৱৰৰ পূণ্যতিথি উপলক্ষে এটি শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত পৰিবেশ আৰু  বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকি শ্বহিদগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে।

স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ গৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে দেশ প্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰি ছহিদ হোৱা এইগৰাকী বীৰ সেনানীৰ মাতৃভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক ৰাজ্য তথা দেশবাসীয়ে সদায় সোঁৱৰণ কৰিব বুলি মন্তব্য কৰে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ টুমপ্ৰেঙৰ বৰঘাট তৰাডুবি অঞ্চলত আজি পুৱতি নিশা জাকৰ পৰা বিচ্ছিন্ন হোৱা এটা হাতী পোৱালী স্থানীয় ৰাইজে উদ্ধাৰ কৰে। পাছত হাতী পোৱালীটোক ডংকামোকামৰ বন বিভাগক চমজাই দিয়া হয়। স্বাস্থ্য পৰীক্ষাৰ পাছত পৰৱৰ্তী সময়ত পোৱালীটো কাজিৰঙাৰ বনাঞ্চলত এৰি দিয়াৰ সম্ভাৱনা আছে বুলি বন বিভাগে ব্যক্ত কৰিছে।

০০০০

ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসম, কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত দেৱালয়ৰ প্ৰাঙ্গনত একাদশ আন্তৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে কাউণ্ট ডাউন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত আৰ্ট অৱ লিভিঙে সহযোগ কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, দেৱালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ লগতে কেবাখনো বিদ্যালয়ৰ ৪০০ ৰো অধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

স্বচ্ছ ভাৰত অভিযান নগৰৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে  আজি তেজপুৰ পৌৰ সভাৰ অধীনত 10 KLD মল বোকা পৰিশোধন প্ৰকল্প উদ্বোধন কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই প্ৰকল্পটো উদ্বোধন কৰে। এই প্ৰকল্পটোৰ জৰিয়তে পেলনীয়া গেদ, বোকা আদি সামগ্ৰী নিৰাপদে পৰিশোধন কৰি পানীৰ উৎস আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাটো নিশ্চিত কৰিব।  মন্ত্ৰীগৰাকীয়ে লগতে সমীপৰ গোটা আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্পটো পৰিদৰ্শন কৰে।

০০০০

ব্ৰহ্মপুত্ৰ নদীৰ খনন জৰীপৰ কাম ডিব্ৰুগড় জিলাৰ বগীবিলত আৰম্ভ কৰা হৈছে। ভাৰতীয় অন্তৰ্দেশীয় জলপথ কৰ্তৃপক্ষ আই ডব্লিউ এ আইৰ এটা দলে কালি এই কাম আৰম্ভ কৰিছে। জৰীপৰ দলটোৱে নদীখনৰ ৩০০ মিটাৰ দৈৰ্ঘ্যৰ এটা গুৰুত্বপূৰ্ণ অংশ তাৎক্ষণিক খনন জৰীপৰ বাবে চিহ্নিত কৰিছে। বগীবিলৰ এই বিশেষ অংশটো নদী পৰিবহণৰ বাবে ক্ৰমান্বয়ে প্ৰত্যাহ্বানজনক হৈ পৰাৰ ফলত ফেৰী সেৱা, প্ৰমোদতৰী পৰিচালনা আৰু মালবাহী জাহাজৰ পৰিচালনাগত অসুবিধাৰ সৃষ্টি হৈছে। আই ডব্লিউ এ আইৰ সূত্ৰমতে বৰ্তমানৰ জৰীপ সম্পূৰ্ণ হোৱাৰ পাছত প্ৰকৃত খননকাৰ্য আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। জৰীপে সঠিক গভীৰতালৈ খননকাৰ্যৰ প্ৰয়োজনীয়তাৰ লগতে আঁতৰাব লগীয়া পলসৰ পৰিমাণো নিৰ্ধাৰণ কৰিব। উল্লেখযোগ্য যে ২০১৭ চনত সেই সময়ৰ মুখ্যমন্ত্ৰী আৰু বৰ্তমানৰ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই খননকাৰ্য জৰীপৰ ঘোষণা কৰিছিল। ৭ বছৰৰ অন্তত এই প্ৰকল্প পুনৰুজ্জীৱিত কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................